2023

(Held in 2024)

ASSAMESE

Paper : ASMMAJ1014

(History of Assamese Literature—I)

Full Marks : 70

Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলত দিয়াবোৰৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৮=৮

(ক) মাধৱ কন্দলী কোনগৰাকী ৰজাৰ ৰাজকবি আছিল?

(i) দুৰ্লভনাৰায়ণ

(ii) মহামাণিক্য

(iii) নৰনাৰায়ণ

(iv) শ্ৰীমন্ত তাম্ৰধ্বজ

(খ) বৌদ্ধগানসমূহ নেপালৰ ৰাজদৰবাৰৰ পৰা কেতিয়া সংগ্ৰহ কৰা হৈছিল?

(i) ১৯০৭ চনত

(ii) ১৯২৬ চনত

(iii) ১৯০৬ চনত

(iv) ১৯১০ চনত

(গ) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটোৰ নাম কি?

(i) মন মেৰি ৰাম চৰণেহি লাগু

(ii) নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা

(iii) গোপালে কি গতি কৈলে, গোবিন্দে কি মতি দিলে

(iv) শুন শুন ৰে, সুৰ বৈৰী প্ৰামাণা

(ঘ) শংকৰদেৱৰ কুসুমমালা ছন্দত ৰচিত গ্ৰন্থখনৰ নাম কি?

(i) দশম

(ii) কীৰ্ত্তন

(iii) গুণমালা

(iv) ভক্তিপ্ৰদীপ

(ঙ) 'গীতিৰামায়ণ'ৰ ৰচক কোন?

(i) পীতাম্বৰ দ্বিজ

(ii) মনকৰ

(iii) সুকবি নাৰায়ণদেৱ

(iv) দুৰ্গাবৰ

(চ) অসমীয়া 'ব্যাস' বুলি কোনগৰাকী কবিক কোৱা হয়?

(i) অনন্ত কন্দলী

(ii) ৰাম সৰস্বতী

(iii) শ্ৰীধৰ কন্দলী

(iv) ৰুদ্ৰ কন্দলী

(ছ) মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন'ৰ বাহিৰে বাকীকেইখন নাটক কি বুলি কোৱা হৈছে?

(i) যাত্ৰা

(ii) ৰূপক

(iii) ঝুমুৰা

(iv) অংকীয়া

(জ) ভট্টদেৱে 'নামঘোষা'ৰ আৰ্হিত কোনখন গ্ৰন্থ ৰচনা কৰিছিল?

(i) ৰত্নাৱলী

(ii) ঘোষাৰত্ন

(iii) ভক্তিবিবেক

(iv) কথাভাগৱত

২। যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) চৰ্যাপদ ৰচনা কৰা আৰু অসমৰ বুলি প্ৰসিদ্ধি থকা দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(গ) মাধৱ কন্দলীৰ ৰামায়ণৰ কোন দুটা কাণ্ড শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰিছিল?

(ঘ) পাঁচালী সাহিত্যৰ ভাগ কেইটা আৰু কি কি?

(ঙ) চৰিত সাহিত্য কোন যুগৰ ৰচনা? উপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পাদিত চৰিত পুথিখনৰ নাম কি?

(চ) 'বুৰঞ্জী' কি ভাষাৰ শব্দ? পদ্যত ৰচিত দুখন বুৰঞ্জীৰ নাম উল্লেখ কৰা।

(ছ) দুৰ্গাবৰ কি কবিৰূপে জনাজাত? তেওঁৰ দ্বাৰা ৰচিত এখনি গ্ৰন্থৰ নাম লিখা।

(জ) অসমীয়া সাহিত্যৰ দুখন জনশ্ৰুতিমূলক মালিতাৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) আইনাম আৰু অপেচৰা সবাহৰ গীত

(খ) হাতীমাউতৰ গীত

(গ) চৰিত সাহিত্য

(ঘ) চৰ্যাপদৰ বিষয়বস্তু আৰু ৰচনা কাল

(ঙ) মাধৱদেৱৰ বৰগীত

(চ) অংকীয়া নাট

(ছ) পাঁচালী সাহিত্যৰ বৈশিষ্ট্য

(জ) ডাকৰ বচন

(ঝ) বুৰঞ্জী সাহিত্য

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×২=২০

(ক) সাধুকথা কাক বোলে? উৎস আৰু বিষয়বস্তুৰ ফালৰ পৰা সাধুকথাক কেইটা ভাগত ভাগ কৰিব পাৰি? সাধুকথা সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়োৱা।

(খ) জুনা কাক বোলে? জুনা গীত সম্পৰ্কে আলোচনা কৰা।

(গ) মাধৱ কন্দলী কোন যুগৰ কবি? তেওঁৰ সাহিত্যকৃতি আৰু সাহিত্যিক প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া গদ্য-সাহিত্যৰ জনক কোন? তেওঁৰ অসমীয়া গদ্য-সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা।

★★★